# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। পৰনিৰ্ভৰশীলতা ভাৰতৰ আটাইতকৈ ডাঙৰ শত্ৰু বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। অহা বছৰৰ মাৰ্চৰ ভিতৰত দেশৰ পৰা বাওপন্থী উগ্ৰবাদ সম্পূৰ্ণৰূপে নিৰ্মূল হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহ এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে আজি বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰলৈ অনা হৈছে।

৪। নতুন H-IB ভিছা নীতি সন্দৰ্ভত প্ৰযুক্তিগত উদ্যোগতখণ্ডত সৃষ্টি কৰা উদ্বেগ আৰু বিভ্ৰান্তি দূৰ কৰাৰ উদ্দেশ্যে হোৱাইট হাউছে বিশেষ স্পষ্টীকৰণ জাৰি কৰিছে।

*আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত বাংলাদেশে শ্ৰীলংকাক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

পৰনিৰ্ভৰশীলতা হৈছে ভাৰতৰ সবাতোকৈ ডাঙৰ শত্ৰু আৰু আমাৰ দেশে বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীলতা অতিক্ৰম কৰিব লাগিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কালি গুজৰাটৰ ভাব নগৰত অনুষ্ঠিত **সমুদ্ৰ সে সমৃদ্ধি** অনুষ্ঠানত অংশগ্ৰহণ কৰি এই দৰে কয়। **আত্মনিৰ্ভৰ ভাৰতৰ** ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে ছেমিকণ্ডাক্টৰৰ পৰা জাহাজ নিৰ্মাণলৈ সকলো খণ্ডতে ঘৰুৱা উৎপাদনশীলতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ১৪০ কোটি ভাৰতীয়ৰ ভৱিষ্যত বিদেশী শক্তিৰ ওচৰত যিদৰে এৰি দিব নোৱাৰি, সেইদৰে ৰাষ্ট্ৰৰ উন্নয়নৰ ক্ষেত্ৰতো পৰৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। সকলো ধৰণৰ সমস্যাৰ এটাই সমাধান সেয়া হৈছে আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলা বুলি মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে আৰু কয়, যে আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰতে প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ লগতে পৰনিৰ্ভৰশীলতা হ্ৰাস আৰু প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰশীল হ'ব লাগিব।

শ্ৰীমোদীয়ে কয়, যে ২০৪৭ চনত এখন উন্নত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ দেশে আত্মনিৰ্ভৰশীল হৈ উঠাৰ এয়াই উপযুক্ত সময়। গোলকীয় শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ বাবে পৃথিৱীৰ সৰ্বাধিক জনসংখ্যাৰ দেশখন আত্মনিৰ্ভৰ হ'বই লাগিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে সামুদ্ৰিক মহাশক্তি হিচাপে দেশক গঢ়ি তুলিব বিচৰা চৰকাৰৰ দৃষ্টিভংগীক সফল কৰি তুলিবলৈ হ'লে ভাৰতে বিশ্বৰ সামুদ্ৰিক বাণিজ্যৰ ক্ষেত্ৰত ২০৪৭ চনৰ ভিতৰত নিজৰ অংশীদাৰিত্ব ৩ গুণ বৃদ্ধি কৰিব লাগিব।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে দেশে এতিয়া সামুদ্ৰিক শক্তি হিচাপে নিজৰ উত্তৰাধিকাৰ পুনৰ উদ্ধাৰ কৰিবলৈ কঠোৰভাৱে কাম কৰিব লাগিব। তেওঁ কয়, যে ভাৰতৰ উপকূলীয় অঞ্চল সদায় সমৃদ্ধিৰ প্ৰতীক হৈ আহিছে আৰু ই দেশৰ ভৱিষ্যত বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য যে, বৰঙনি আগবঢ়াব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ সামুদ্ৰিক ক্ষেত্ৰত পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ অব্যাহত আছে। তেওঁ ঘোষণা কৰে যে এই খণ্ডটোৱে অনতি পলমে এখন দেশ, এটা বন্দৰ পদ্ধতিক গ্ৰহণ কৰিব যাৰ জৰিয়তে সামুদ্ৰিক ব্যৱস্থাসমূহ সৰল কৰি তোলা হ'ব।

ভাৰতৰ সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ উদ্দেশ্যে লোৱা ঐতিহাসিক সিদ্ধান্তৰ বিষয়ে সদৰী কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে এই ক্ষেত্ৰত বৃহৎ সংস্কাৰৰ নীতি গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে এতিয়াৰে পৰা জাহাজ নিৰ্মাণ কোম্পানীসমূহে বেংকৰ পৰা ঋণ সহজতে লাভ কৰিব আৰু ইয়াৰ জৰিয়তে বিত্তীয় ক্ষেত্ৰত থকা বাধাসমূহ হ্ৰাস পাব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৩২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ বহুমুখী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে ৭ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ মুম্বাই আন্তঃৰাষ্ট্ৰীয় ক্ৰুজ টাৰ্মিনেলৰ লগতে কেইবাটাও বৃহৎ সামুদ্ৰিক প্ৰকল্পৰ উদ্বোধন কৰে। এই কাৰ্যসূচীৰ এদিন পাছত প্ৰধানমন্ত্ৰীয়ে আহমেদাবাদৰ সমীপৰ প্ৰাচীন চহৰ লুথালত ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদ ৪ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি থকা হৈছে। সমগ্ৰ বিশ্বতে ভাৰতৰ সামুদ্ৰিক শক্তিৰ বিষয়ে অৱগত কৰোৱাই হৈছে এই ঐতিহ্য চৌহদ নিৰ্মাণৰ মূল লক্ষ্য। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে আকাশ মাৰ্গেৰে ধলেৰা স্মাৰ্ট চিটী পৰিদৰ্শন কৰে।

০০০০০

অহা বছৰৰ মাৰ্চৰ ভিতৰত দেশত বাওপন্থী উগ্ৰবাদ সম্পূৰ্ণৰূপে নিৰ্মূল হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। এটা ব্যক্তিগত চেনেলত দিয়া সাক্ষাৎকাৰৰ সময়ত গৃহমন্ত্ৰীগৰাকীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰৰ প্ৰচেষ্টাৰ বাবে বিগত দশকত উত্তৰ-পূৰ্বাঞ্চল আৰু বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত অঞ্চলকে ধৰি মুঠ তিনিটা অঞ্চলৰ পৰা উগ্ৰপন্থী কাৰ্যকলাপ ৭৫ শতাংশলৈ হ্ৰাস পাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে লাভ কৰা সফলতাসমূহত আলোকপাত কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে ১১ বছৰতকৈও কম সময়ৰ ভিতৰত চৰকাৰে দেশৰ ৬০ কোটি লোকলৈ গৃহ, বিজুলী, অনাময় ব্যৱস্থা, গেছ, খোৱাপানী আৰু ৫ লাখ টকাৰ স্বাস্থ্য বীমা আগবঢ়াইছে।

০০০০০

অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহ এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে আজি বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰলৈ লৈ অনা হৈছে। বিমান বন্দৰত অজস্ৰ অনুৰাগীয়ে কালি নিশাৰে পৰা প্ৰিয় শিল্পীগৰাকীৰ নশ্বৰদেহৰ বাবে অপেক্ষা কৰি আছিল। কালি দিনৰ ভাগত শিল্পীগৰাকীৰ নশ্বৰ দেহ ছিংগাপুৰৰ পৰা দিল্লীলৈ বিমানেৰে অনাৰ পাছতে দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। বৰঝাৰ বিমান বন্দৰত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে শিল্পীগৰাকীৰ নশ্বৰ দেহ আদৰি আনিবলৈ উপস্থিত হৈছে।

শিল্পীগৰাকীৰ সন্মানাৰ্থে কালিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত থাকিব।

উল্লেখযোগ্য যে, শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনাৰ বাবে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্রীয় মন্ত্রী পৱিত্র মাৰ্ঘেৰিটা নতুন দিল্লীলৈ কালি সন্ধিয়াৰ ভাগত ৰাওনা হৈছিল। ছিংগাপুৰৰ পৰা শিল্পীগৰাকীৰ নশ্বৰ দেহ কঢ়িয়াই অনা বিমানখন কালি নিশা প্রায় ১২ বজাত নতুন দিল্লী বিমান বন্দৰত বিমানখনে অৱতৰণ কৰে।

কালি নতুন দিল্লীলৈ যাত্রাৰ পূর্বে মুখ্যমন্ত্রীগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালকপ্রধান, মহানগৰ আৰক্ষী আয়ুক্ত আৰু গুৱাহাটী লোকপ্রিয় গোপীনাথ বৰদলৈ আন্তর্জাতিক বিমান বন্দৰ কর্তৃপক্ষৰ সৈতে গুৰুত্বপূর্ণ বৈঠকত মিলিত হয়।

মুখ্যমন্ত্রী ড° শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচচায়ুক্ত চাইমন ৰঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্রত সম্পূর্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্রকাশ কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নতুন H-IB ভিছা নীতি সন্দৰ্ভত প্ৰযুক্তিগত উদ্যোগতখণ্ডত সৃষ্টি কৰা উদ্বেগ আৰু বিভ্রান্তি দূৰ কৰাৰ উদ্দেশ্যে হোৱাইট হাউছে বিশেষ স্পষ্টীকৰণ জাৰি কৰিছে। সেই অনুসৰি কেৱল নতুন আৱেদনকাৰীসকলৰ বাবেহে এবাৰৰ বাবে এশ হেজাৰ ডলাৰৰ মাছুল আৰোপ কৰা হৈছে। আজিৰে পৰা এই নতুন নীতি কার্যকৰী কৰাৰ কেইঘণ্টামান পূর্বে হোৱাইট হাউছৰ প্ৰেছ সচিব কেৰলিন লিভিটে কালি এই স্পষ্টীকৰণ দিয়ে। এটা বার্তাত তেওঁ কয়, যে ইতিমধ্যে H1B ভিছা থকা আৰু সম্প্ৰতি দেশৰ বাহিৰত থকা লোকসকলে দেশখনত পুনৰ প্ৰৱেশৰ বাবে বর্তমান এশ হাজাৰ ডলাৰ মাছুল ভৰিব নালাগে। এই ভিছা ধাৰক তথা ভিছা নবীকৰণৰ ক্ষেত্রত নতুন মাছুল প্রযোজ্য নহ'ব বুলি তেওঁ কয়। তদুপৰি এই নীতিয়ে ইতিমধ্যে H1B ভিছা ধাৰকসকলৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা বা দেশখনলৈ কৰা ভ্ৰমণৰ ক্ষেত্রত কোনো প্রভাৱ নেপালায়।

ooooo

সমগ্ৰ দেশৰ ১ লাখ বিদ্যালয়ৰ লগতে প্রায় ৫০০টা চলচ্চিত্র গৃহত আজি ৰাষ্ট্রীয় পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্র ***Chalo Jeete Hain*** ছবিখন প্রদর্শনৰ ব্যৱস্থা কৰা হৈছে। প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ ৭৫ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি এই পদক্ষেপ লোৱা হৈছে। এই ছবিখন প্রধানমন্ত্রী শ্রীমোদীৰ ল'ৰালি কালৰ এটি ঘটনাৰ পৰা অনুপ্রাণিত হৈ নির্মাণ কৰা হৈছে। ছবিখনত নাৰু নামৰ এজন কিশোৰৰ কাহিনী কোৱা হৈছে। এই কিশোৰজনে স্বামী বিবেকানন্দৰ দর্শনৰ দ্বাৰা বিশেষভাৱে অনুপ্রাণিত হৈছিল আৰু তেওঁ নিজৰ সৰু পৃথিৱীখন অন্য ধৰণে সলাবলৈ সপোন দেখিছিল। উল্লেখযোগ্য যে, ২০১৮ চনত মুক্তিপ্ৰাপ্ত এই ছবিখন আছিল সেই বৰ্ষত ভালেসংখ্যক দর্শকে চোৱা ছুটী ছবিসমূহৰ ভিতৰত অন্যতম।

ooooo

এছিয়া কাপ ক্রিকেট প্রতিযোগিতাত কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্রিকেট ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ ফ'ৰ পর্যায়ৰ প্রথমখন খেলত বাংলাদেশে শ্রীলংকাক ৪ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ১৬৯ ৰাণৰ লক্ষ্য অনুসৰণ কৰি বাংলাদেশে এটা বল বাকী থকা অৱস্থাত ৬টা উইকেটৰ বিনিময়ত নির্ধাৰিত লক্ষ্যত উপনীত হৈ খেলখনত বিজয় সাব্যস্ত কৰে। শ্রীলংকাৰ হৈ ডাচুন চনাকাই সর্বাধিক ৬৪ ৰান কৰে। বাংলাদেশৰ মস্তাফিজুৰ ৰহমানে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে টছত জিকি বাংলাদেশে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ৭টা উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ছাইফ হাচনৰ ৬১ আৰু তৌহিদ হৃদয়ৰ ৫৮ ৰানৰ সহায়ত বাংলাদেশে ৬টা উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। শ্ৰীলংকাৰ হৈ ৱান্দিদু হাচাৰাংগা আৰু ডাচুন চনাকাই দুটাকৈ উইকেট দখল কৰে। ছাইফ হাছানক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

ভাৰত কাইলৈ ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**